


# ভাৰত আধুনিক দাসত্ব প্ৰথাৰ ৰম্যভূমি

পৰ্যালোচনা | জিতুমণি পাঠক

মানৱৰ 'সভ্যতা'ৰ ইতিহাস আৰম্ভ হৈছিল প্ৰায় ১১ হেজাৰ বছৰমান আগেয়ে, নৱপ্ৰস্তৰ নামৰ যুগটিত যেতিয়া মানৱ নামধাৰী প্ৰাণীবোৰে প্ৰথমবাৰৰ বাবে কৃষিকাৰ্যৰ সূচনা কৰি স্থায়ীভাৱে বসবাস কৰিবলৈ শিকিছিল। সভ্যতাক জীৱনধাৰণৰ মানৱ এক উন্নত ৰূপ বুলি কোৱা হয় যদিও একে সময়তে অনিবাৰ্যভাৱে ইয়াৰ সৈতে সংপৃক্ত হৈ পৰিল কিছু কু-প্ৰথাও। সভ্যতাৰ আগেয়ে প্ৰতিজন মানৱে জীৱনৰ ন্যূনতম প্ৰয়োজনখিনিৰ বাবে এক কঠোৰ জীৱন সংগ্ৰামত লিপ্ত হ'বলগা হৈছিল। চাবলৈ গ'লে সেই জীৱন দুৰ্বিসহ আছিল যদিও তেওঁলোক আছিল মুক্ত, স্বাধীন। সকলো আছিল সমান। সকলোৰে আছিল সম-অধিকাৰ। কিন্তু সভ্যতাৰ আৰম্ভণিয়ে সমাজত সৃষ্টি কৰিলে শ্ৰেণী বিভাজনৰ। এখন সমাজ সুশৃংখলিতভাৱে চলাই নিবলৈ প্ৰয়োজন হৈছিল সামাজিক নীতি-নিয়মৰ। তাৰেই অচিলা লৈ সামাজিক শৃংখলাৰ দোহাই দি বিভিন্ন কৌশলগত প্ৰক্ৰিয়াৰে এচামে নিজকে ভগৱানৰ উচ্চতাত উপৱিষ্ট কৰাই আনচামক সজালে তেওঁলোকৰ সেৱক, দাস। এয়াই আছিল দাস প্ৰথাৰ আৰম্ভণি। তাৰ পিছত যুগৰ পিছত যুগ ধৰি নিৰৱচ্ছিন্নতাৰে চলি আছে এই প্ৰথা। মাজে মাজে নিৰ্যাতিত, ক্ষোভিত এই শ্ৰেণীৰ কোনো কোনোৱে এনে এক কু-প্ৰথাৰ বিৰুদ্ধে সৰৱ হৈ উঠিব খোজে যদিও সেয়া হৈ নুঠৈগে। কিয়নো তেওঁলোকে কেতিয়াও নিজৰ কান্ধত অনুভৱ নকৰে এখন সহায়তাৰ হাত; আৰু যাৰবাবে তেওঁলোকৰ প্ৰতিবাদ হৈ পৰে কণ্ঠতে ৰুদ্ধ। সময়ৰ পৰিৱৰ্তন হৈ থাকিল; পৰিৱৰ্তন হৈ থাকিল নতুন চামৰ মুখাৰ। কিন্তু একেই থাকিল শক্তিশালী চামৰ সামাজিক-অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটোক শোষণ কৰাৰ প্ৰক্ৰিয়াৰ। ১৯৮৬ চনত মৌৰিটানিয়া নামৰ দেশখনত বিশ্বৰ আটাইতকৈ শেষ দেশ হিচাপে যেতিয়া দাসত্ব প্ৰথাৰ অন্ত পৰা বুলি ঘোষণা কৰা হ'ল তেতিয়াই মানৱে মানৱক শোষণ কৰাৰ এই কু-প্ৰথাৰ অন্ত পৰা বুলি ক'ব পাৰিব লাগিছিল; একবিংশ শতিকাক আমি ঘোষণা কৰিব পাৰিব লাগিছিল মুক্ত মানৱৰ পৃথিৱী বুলি। কিন্তু কাৰ্যতঃ সেয়া যে এক দূৰৰ সপোন তাক প্ৰতিপন্ন কৰিলে অতি সম্প্ৰতি প্ৰকাশিত এক সমীক্ষাই; য'ত লজ্জাজনকভাৱে উন্মোচিত হ'ল যে আজিও বিশ্ব জনসংখ্যাৰ ২৯.৮ নিযুত লোকে অতি কদৰ্যতাৰে জীৱন কটাবলগীয়া হৈছে দাসত্ব নামৰ সেই আদিমতম কু-প্ৰথাটিৰ তলত। আমাৰ বাবে আৰু অতি লজ্জাজনক কথাটো হ'ল এই জনসংখ্যাৰ অৰ্দ্ধেক সংখ্যকেই প্ৰতিনিধিত্ব কৰিছে আমাৰ দেশ ভাৰতবৰ্ষক।

ভাৰতত দাসত্ব প্ৰথাৰ প্ৰচলনৰ ঐতিহাসিক তথ্য খ্ৰীষ্টপূৰ্ব প্ৰায় ৫০০ বছৰমান আগৰে পৰা পোৱা গৈছে। বিভিন্ন ৰূপত সেই সময়ত দাস নামৰ এটা শ্ৰেণীৰ সৃষ্টি হৈছিল যদিও এই সময়ত ই অতিকে বিস্তাৰিত ৰূপত প্ৰকাশিত হোৱা নাছিল। ইছলামিক যুগৰ পৰাহে ভাৰতত এই প্ৰথা অধিক ৰূপত গা কৰি উঠা বুলি জানিব পৰা যায়। মুছলমান প্ৰশাসকসকলে মধ্যপ্ৰাচ্য হৈ আফ্ৰিকাৰপৰা ভাৰতলৈ বুলি এই দাসসমূহ সৰবৰাহ কৰিছিল। ইয়াৰ আগেয়ে ভাৰতত বসবাস কৰি থকা ইয়াৰ খিলঞ্জীয়া লোকসকলৰ আফ্ৰিকাৰ সৈতে কোনোধৰণৰ যোগাযোগ নথকাৰ বাবে তেনে এক ব্যৱস্থাৰ কথা তেওঁলোকৰ চিন্তা কৰাৰ প্ৰশ্নই উঠা নাছিল। এবাৰ গা কৰি উঠা এই প্ৰথাটিয়ে লাহে লাহে সমাজ জীৱনত মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় ঘটালে। চহকী শ্ৰেণীটোৰ বিলাসীপূৰ্ণ জীৱনযাত্ৰাত দাসসকল যেন অপৰিহাৰ্য অংগ হৈ পৰিল; য'ত এচামৰ বিলাসী জীৱনৰ পৰিৱৰ্তে এইসকলৰ জীৱন হৈ পৰিল ইতৰ শ্ৰেণীৰ সমৰ্পণৰ। এনে এক মানৱ অধিকাৰক পদপিষ্ট কৰা কু-প্ৰথা কোনোধৰণৰ বাধাৰ সন্মুখীন নোহোৱাকৈ আৰু কিমান দিন চলি থাকিল সেয়া অনুমান কৰা কঠিন। কিন্তু বৃটিছসকলৰ ভাৰত আগমনে বহুতো কুফল কঢ়িয়াই আনিলেও এই দাসসকলৰ বাবে যেন খুলি দিলে সৌভাগ্যৰ দ্বাৰ। অন্ততঃ আইনগতভাৱে বৃটিছসকলে প্ৰথমবাৰৰ বাবে দাসত্ব প্ৰথাৰ বিৰুদ্ধে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে। ১৮৪৩ চনৰ 'ইণ্ডিয়ান শ্লেভাৰী এক্ট, ভি, ১৮৪৩'-এ ভাৰতত দীৰ্ঘদিন চলি থকা দাসত্ব প্ৰথাক বে-আইনী বুলি ঘোষণা কৰি এক নতুন দিগন্তৰ সূচনা কৰিব বিচাৰিল। বৃটিছসকলৰ এই পদক্ষেপে ইমানদিনে চলি থকা এই বাধাহীন সোঁতটোক কাৰিকৰীভাৱে বাধা প্ৰদান কৰিছিল বুলি ভৱা হয় যদিও ভাৰতীয় সংস্কৃতিত মজ্জাগত হৈ পৰা এই প্ৰথা যে ইমান সহজে বিলোপ হৈ নাযায় তাৰ প্ৰমাণ সময়ে সময়ে উন্মোচিত হৈয়েই আছিল।





দেখা যায় যে স্বাধীনতাৰ প্ৰথমছোৱা সময়ত ভাৰতৰ প্ৰগতিৰ হাৰ অতি মন্থৰ গতিত আৰম্ভ হৈছিল যদিও আজি সেই অৱস্থাৰ পৰিৱৰ্তন ঘটিছে। যোৱা কেইটিমান দশকত ভাৰতে সৰ্বস্তৰত যি হাৰত বিকাশ ঘটাইছে তাকে দেখি ২০৫০ চনৰ ভিতৰত ভাৰত বিশ্বৰ ভিতৰতে এখন শক্তিশালী দেশলৈ পৰিণত হ'ব বুলি বহুতে মত পোষণ কৰিছে। কিন্তু এনে এক প্ৰেক্ষাপটত অষ্ট্ৰেলিয়াৰ 'ৱাক ফ্ৰি ফাউণ্ডেচন' নামৰ সংস্থাটিয়ে বিশ্বৰ সমূহ দেশবোৰৰ মাজত আজিও বৰ্তমান হৈ থকা দাস প্ৰথাৰ ওপৰত যি সমীক্ষা চলাইছিল তাত ভাৰতৰ যিখন প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে সি আজি ভাৰতক সমগ্ৰ বিশ্ব সম্প্ৰদায়ৰ ওচৰতে লজ্জানত কৰিছে। সমগ্ৰ বিশ্বতে আজি এই কু-প্ৰথাটিৰ ভৰত পিষ্ট হৈ বৈছে ২৯.৮ নিযুত লোক। লক্ষণীয়ভাৱে তাৰে অৰ্দ্ধেক সংখ্যকৰ ভৰ বহন কৰিছে অকল ভাৰতবৰ্ষই। মুঠ ২৯.৮ নিযুত লোকৰ ভিতৰত, ভাৰতত ইয়াৰ সংখ্যা হ'ল ১৩.৩ৰ পৰা ১৪.৭ নিযুত। এই বৃহৎ অংকটিৰে ভাৰতে বিশ্বৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰিছে। ভাৰতৰ পিছতে দ্বিতীয় স্থান অধিকাৰ কৰিছে আন এখন জনসংখ্যাপূৰ্ণ দেশ চীনে। 'ৱাক ফ্ৰি ফাউণ্ডেচন'ৰ সমীক্ষাত প্ৰকাশ পোৱা তালিকা অনুযায়ী প্ৰথম দহটা স্থান পোৱা দেশসমূহ যথাক্ৰমে হ'ল এনেধৰণৰ— ভাৰত, চীন, পাকিস্তান, নাইজেৰিয়া, ইথিঅ'পিয়া, ৰাছিয়া, থাইলেণ্ড, ডেম'ক্ৰেটিক ৰিপাব্লিক অৱ কংগো আৰু বাংলাদেশ। এই তালিকাৰপৰা স্পষ্ট প্ৰতিফলিত হৈছে যে মূলতঃ এছীয় মূলৰ দেশসমূহতে এই মানৱতা বিৰোধী কাৰ্যৰ প্ৰাধান্য বেছি।

ভাৰতত দাসত্ব প্ৰথাৰ বন্ধনত পিষ্ট হৈ থকা এই লোকসকল মূলতঃ শ্ৰমিক হিচাপে কৰ্মৰত হৈ আছে ডাঙৰ ডাঙৰ কাৰখানাত, খনিত নতুবা কাৰোবাৰ ঘৰত বন্ধা শ্ৰমিক হিচাপে। শিশু শ্ৰমিকসকলেও এই সংখ্যাটো বৃদ্ধিত এক উল্লেখনীয় অৰিহণা আগবঢ়াইছে। দৰিদ্ৰতাৰে পিষ্ট এই দেশত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটোক এচাম সুবিধাবাদী লোকে অতি কম পাৰিশ্ৰমিকৰে এনে অতিকে বিপজ্জনক কামত নিয়োজিত কৰিছে। তদুপৰি চুবুৰীয়া দেশ বাংলাদেশ, নেপাল আদিৰ পৰা অবৈধভাৱে প্ৰব্ৰজন ঘটা অদক্ষ কৰ্মীসকলেও এই 'কু-প্ৰথাটোক প্ৰতিপালিত কৰাত বিশেষভাৱে অৰিহণা যোগাইছে। নিজৰ অদক্ষতা তথা অবৈধ পৰিচয়ৰ বাবে তেওঁলোকে বিনা প্ৰতিবাদে আধুনিক দাসত্বৰ এই মেৰপেচত সহজে মেৰপেচ খাই পৰিছে। আৰু ইয়ে কলংকিত কৰিছে বিশ্বত ভাৰতৰ সন্মান। অন্যান্য দেশৰ দৰে ভাৰততো আছে দাসত্ব প্ৰথাৰ বিৰুদ্ধে শক্তিশালী সাংবিধানিক ৰক্ষা কৱচ। তৎসত্ত্বেও কোনো অবোধ্য কাৰণত সকলোৰে চকুৰ আগতে আধুনিক এই দাস প্ৰথাই অতি মুক্তভাৱে তাৰ স্থিতি প্ৰকাশ কৰি আহিছে। সাম্প্ৰতিক পৰিস্থিতিলৈ চালে ভাব হয় যে এই পৰিসংখ্যা কাৰো বাবে যেন উদ্বেগজনক নহয়। কাৰণ ইয়াত উদ্বেগ প্ৰকাশ কৰা মানেই যে সকলোৰে সান্দহ খোৱা বালি তল যোৱাৰ কথা। গতিকে সকলো দেখিও সকলো উপলব্ধি কৰিও সকলোৰে আজি মৌন হৈ থকাটোকে সুবিধাজনক স্থিতি বুলি ভাবিবলৈ লৈছে। এনে এক প্ৰেক্ষাপটত বিভিন্ন ধৰণৰ সামাজিক সংগঠনবোৰে যিমানেই চিঞৰ-বাখৰ নকৰক বা চৰকাৰৰ তৰফৰপৰা যিমানেই কাঢ়া আইন প্ৰস্তুত নকৰক কিয়, যেতিয়ালৈ জনসাধাৰণৰ মনত এই মানৱতাবিৰোধী কাৰ্যৰ বিৰুদ্ধে সামান্যতম ক্ষোভ তথা নিষ্ঠুৰতাত পিষ্ট লোকসকলৰ প্ৰতি সহানুভূতিৰ সৃষ্টি নহ'ব তেতিয়ালৈ এই দাসত্ব প্ৰথাই ভিন্ন ভিন্ন ৰূপ পৰিগ্ৰহণ কৰি আমাৰ মাজত বৰ্তিয়েই থাকিব। ■

*লেখক দুধনৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক*
*লেখকৰ ফোন ৯৮৫৪০১৮১১৭*